অধ্যায় ১ঃ পৰিচালনা অর্থবিজ্ঞানৰ পৰিচয়

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ পৰিচালনা অর্থবিজ্ঞানৰ ধাৰণা

১.৪ পৰিচালনা অর্থবিজ্ঞানৰ প্রকৃতি আৰু পৰিসৰ

১.৫ সিদ্ধান্ত গ্রহণত পৰিচালনা অর্থবিজ্ঞানৰ গুৰুত্ব

১.৬ পৰিচালনা অর্থনীতিবিদৰ ভূমিকা আৰু দায়িত্ব

১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৮ অধিক জানিবলৈ

১.৯ অগ্রগতিৰ খতিয়ান

১.১০ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- পৰিচালনা অর্থবিজ্ঞানৰ ধাৰণাটি আলোচনা কৰিব পাৰিব
- পৰিচালনা অর্থবিজ্ঞানৰ প্রকৃতিৰ বিষয়ে আলোচনা কৰিব পাৰিব
- পৰিচালনা অর্থবিজ্ঞানৰ প্রকৃতিৰ বিষয়ে আলোচনা কৰিব পাৰিব
- সিদ্ধান্ত গ্রহণত পৰিচালনা অর্থবিজ্ঞানৰ গুৰুত্বৰ বিষয়ে বর্ণনা কৰিব পাৰিব
- পৰিচালনা অর্থনীতিবিদৰ ভূমিকা আৰু দায়িত্বসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১.২ পৰিচয়

পৰিচালকসকলে লোৱা সিদ্ধান্তৰ ওপৰত এটা ব্যৱসায়িক সংগঠনৰ সফলতা নির্ভৰ কৰে। পৰিচালকজনৰ দায়িত্ব হ'ল সম্পদসমূহ সংগঠিত কৰা, পৰিচালনা কৰা আৰু ব্যৱহাৰ কৰা। সংগঠনটোৰ উদ্দেশ্যসমূহ ফলপ্রসূ কৰোতে পৰিচালকজনে সম্পদসমূহৰ প্রকাম্য ব্যৱহাৰ কৰিব লাগিব যিহেতু সম্পদসমূহ সীমিত। আধুনিক ব্যৱসায় জগতত সিদ্ধান্ত গ্রহণ এক জটিল প্রক্রিয়া। কাৰণ ব্যৱসায় পৰিবেশৰ জটিলতাও বাঢ়ি গৈছে। এই ক্ষেত্রত পৰিচালনা অর্থবিজ্ঞানে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। অর্থবিজ্ঞানৰ তত্ত্ব আৰু ইয়াৰ পদ্ধতিৰ সহায়ত ব্যৱসায়ৰ সমস্যাসমূহ বিশ্লেষণ কৰি সিদ্ধান্ত গ্রহণৰ লগত পৰিচালনা অর্থবিজ্ঞান জড়িত হৈ থাকে। পৰিচালনা অর্থনীতিবিদসকলে সম্পদসমূহৰ প্রকাম্য ব্যৱহাৰ কৰি সংগঠনটোৰ পূর্বনির্ধাৰিত

উদ্দেশ্যসমূহ আহৰণত সহায় কৰে। এই অধ্যায়টোত আমি পৰিচালনা অৰ্থবিজ্ঞানৰ ধাৰণা আৰু পৰিসৰৰ বিষয়ে আলোচনা কৰিম। ইয়াৰোপৰি ব্যৱসায়িক সিদ্ধান্ত গ্ৰহণত পৰিচালনা অৰ্থবিজ্ঞানৰ গুৰুত্বৰ বিষয়েও আপুনি জানিব পাৰিব। এই অধ্যায়ত ব্যৱসায় সংগঠনত পৰিচালনা অৰ্থনীতিবিদৰ ভূমিকা আৰু দায়িত্বসমূহৰ বিষয়েও আলোচনা কৰা হ'ব।

১.৩ পৰিচালনা অৰ্থবিজ্ঞানৰ ধাৰণা

মানুহ জীয়াই থাকিবলৈ অৰ্থনৈতিক কাম-কাজ কৰি আয় অৰ্জন কৰি সেই আয় খৰচ কৰাৰ বিষয়ে অধ্যয়ন কৰা সমাজ বিজ্ঞানক অৰ্থবিজ্ঞান বোলে। অৰ্থনীতি তত্ত্বত অৰ্থনৈতিক কাম-কাজ সুচাৰুভাৱে কৰিবলৈ কিছুমান নীতি-নিৰ্দেশনা দিয়া আছে। এই নীতি-নিয়ম বাস্তৱক্ষেত্ৰত বা ব্যৱসায়ত প্ৰয়োগ কৰাটোৱেই হ'ল পৰিচালনা অৰ্থবিজ্ঞানৰ বিষয়বস্তু। ব্যৱসায়, বাণিজ্য পৰিচালনাৰ ক্ষেত্ৰত উদ্ভৱ হোৱা বিভিন্ন সমস্যাবিলাক অৰ্থবিজ্ঞানৰ তত্ত্ব আৰু পদ্ধতিৰ যোগেদি সমাধান কৰা ব্যৱস্থাক পৰিচালনা অৰ্থবিজ্ঞান বোলে।

ব্যৱসায় প্ৰতিষ্ঠানৰ বিভিন্ন সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত আধুনিক অৰ্থবিজ্ঞানৰ সূত্ৰ আৰু কৌশল প্ৰয়োগ কৰা ব্যৱস্থাকেই পৰিচালনা অৰ্থবিজ্ঞান বোলে। পৰিচালনা অৰ্থবিজ্ঞানক বাণিজ্যিক অৰ্থবিজ্ঞান বুলিও কোৱা হয় (Business Economics) ব্যৱসায় পৰিচালনাত অৰ্থবিজ্ঞানৰ তত্ত্ব প্ৰয়োগ কৰি ব্যৱসায়ৰ বিভিন্ন সমস্যা সমাধান কৰিব পাৰি। তলত বাণিজ্যিক অৰ্থবিজ্ঞানৰ কেইটামান সংজ্ঞাৰ উদ্ধৃতি দিয়া হ'ল -

Spencer আৰু Siegelman ৰ মতে ব্যৱসায় কাম-কাজত অৰ্থবিজ্ঞানৰ তত্ত্ব প্ৰয়োগ কৰি পৰিচালকে ব্যৱসায়ৰ সিদ্ধান্ত আৰু ভৱিষ্যতৰ পৰিকল্পনা কৰাকেই বাণিজ্যিক অৰ্থবিজ্ঞান বোলে। W.P McNair আৰু Meriamৰ মতে ব্যৱসায়ৰ পৰিস্থিতি বিশ্লেষণৰ বাবে অৰ্থবিজ্ঞানৰ কৌশল প্ৰয়োগ কৰাকে বাণিজ্যিক অৰ্থবিজ্ঞান বোলে।

W.W. Hayenৰ অনুযায়ী ব্যৱসায়ৰ সিদ্ধান্ত লোৱাত অৰ্থবিজ্ঞানৰ প্ৰয়োগেই হ'ল পৰিচালনা অৰ্থনীতি। এইটো এটা অৰ্থনীতিৰ বিশেষ শাখা য'ত অৰ্থবিজ্ঞানৰ তত্ত্ব আৰু কৌশল প্ৰয়োগ কৰি বিভিন্ন তথ্য-পাতি বিচাৰ কৰা হয়।

Joseph L Messeyৰ অনুযায়ী ব্যৱসায়ৰ বিভিন্ন সিদ্ধান্ত ল'বৰ বাবে অৰ্থবিজ্ঞানৰ তত্ত্ববিলাক ব্যৱহাৰ কৰাটোৱেই বাণিজ্যিক অৰ্থবিজ্ঞান।

ব্যৱসায় পৰিচালকৰ প্ৰধান কাৰ্যাৱলী হ'ল সিদ্ধান্ত গ্ৰহণ আৰু ভৱিষ্যতৰ পৰিকল্পনা কৰা। কেইবাটাও পৰিপন্থী কাৰ্যব্যৱস্থাৰ পৰা এটা উত্তম পথ চিনাক্ত কৰাকে সিদ্ধান্ত লোৱা বোলে। ব্যৱসায় প্ৰতিষ্ঠানসমূহে অনিশ্চয়তাৰ মাজত কাম-কাজ কৰাৰ বাবে এটা সু-সিদ্ধান্ত লোৱা আৰু ভৱিষ্যতৰ পৰিকল্পনা কৰাটো এটা কঠিন কাম। গতিকে ব্যৱসায় প্ৰতিষ্ঠানৰ পৰিচালনা সমিতিয়ে অতীতৰ পৰিসাংখ্যিক তথ্য, বৰ্ত্তমানৰ তথ্যপুঞ্জি তথা ভবিষ্যতৰ ধাৰণাৰে সিদ্ধান্ত গ্ৰহণ কৰি নিজৰ কৰ্মপন্থা নিৰ্ধাৰণ কৰিব লাগিব। এইক্ষেত্ৰত পৰিচালনা অৰ্থবিজ্ঞানে তেওঁলোকক শুদ্ধ ধাৰণা গ্ৰহণ কৰি ব্যৱসায়টি আগবঢ়াই নিয়াত সহায় কৰিব।

ওপৰৰ সংজ্ঞাবিলাকৰ পৰা স্পষ্ট হৈ পৰিছে যে পৰিচালনা অৰ্থবিজ্ঞান শাখাত অৰ্থবিজ্ঞানৰ তত্ত্বসমূহৰ সহায়ত ব্যৱসায়ৰ কাম-কাজ বিশ্লেষণ কৰি ব্যৱসায়ৰ সমস্যাবিলাক সমাধান কৰিব পাৰি। এই বিজ্ঞানে ব্যৱসায় পৰিচালনা আৰু অৰ্থবিজ্ঞানৰ মাজত সাঁকো হিচাপে কাম কৰে।

১.৪ পৰিচালনা অৰ্থবিজ্ঞানৰ বৈশিষ্ট্য আৰু পৰিসৰ

পৰিচালনা অৰ্থবিজ্ঞানৰ বৈশিষ্ট্য ঃ

পৰিচালনা অৰ্থবিজ্ঞানৰ মূল বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল—

- **পৰিচালনাৰ সিদ্ধান্ত ঃ** পৰিচালনা অৰ্থবিজ্ঞান এটা প্ৰয়োগিক বিষয় হিচাপে ব্যৱসায়ৰ নীতি নিৰ্ধাৰণৰ বাবে সিদ্ধান্ত লোৱাত সহায় কৰে আৰু কম ব্যয়ত উৎপাদন বৃদ্ধিৰ ব্যৱস্থা দিব পাৰে।
- **ব্যষ্টিগত অৰ্থবিজ্ঞানৰ ওপৰত প্ৰতিষ্ঠিত ঃ** পৰিচালনা অৰ্থবিজ্ঞান ব্যষ্টিগত অৰ্থবিজ্ঞান। এই অৰ্থবিজ্ঞানে এটা ব্যৱসায়ৰ সমস্যা সমাধান আৰু কাম-কাজ বিশ্লেষণ কৰিবলৈ পৰামৰ্শ আগবঢ়ায়।
- **সমষ্টিবাদী অৰ্থবিজ্ঞানৰ ভেটি ঃ** ব্যৱসায়ৰ কাম-কাজৰ বাবে সমষ্টিবাদী অৰ্থবিজ্ঞানৰ বিশ্লেষণৰ প্ৰয়োজন আৰু গুৰুত্বপূৰ্ণ ভূমিকা আছে। সমষ্টিবাদী অৰ্থবিজ্ঞানৰ পৰা মুদ্ৰানীতি, ৰাজহ ব্যৱস্থা, উদ্যোগনীতি আৰু শ্ৰমনীতিয়ে কেনেদৰে ব্যৱসায়ত প্ৰভাৱ পেলাই জানিব পাৰি।
- **অৰ্থবিজ্ঞানৰ তত্ত্বৰ প্ৰায়োগিক বৈশিষ্ট্য ঃ** অৰ্থবিজ্ঞানত বিভিন্ন বিধি আৰু পদ্ধতি প্ৰস্তুত কৰে যদিও পৰিচালনা অৰ্থবিজ্ঞানত প্ৰায়োগিক দিশটোহে ব্যৱহাৰ হয়।**বাণিজ্যিক** অৰ্থবিজ্ঞান হ'ল প্ৰায়োগিক তত্ত্বযুক্ত।
- **সমস্যা আৰু সমাধান ঃ** ব্যৱসায় পৰিচালনাত উদ্ভৱ হোৱা বিভিন্ন সংকটপূৰ্ণ সমস্যাসমূহ অধ্যয়ন কৰাত পৰিচালনা অৰ্থবিজ্ঞানে সহায় কৰে আৰু সেই সমস্যাবিলাক সমাধানৰ বাবে পৰামৰ্শ আগবঢ়ায়।
- **ব্যৱসায় প্ৰতিষ্ঠানৰ মিতব্যয়িতা ঃ** ব্যৱসায় প্ৰতিষ্ঠানৰ মূল উদ্দেশ্য হ'ল সৰ্বাধিক লাভ কৰা। সৰ্বাধিক লাভ কৰিবলৈ উপযুক্ত ব্যৱসায় নীতি আৰু সু-সিদ্ধান্তৰ যোগেদি ব্যয় হ্ৰাস কৰি লাভ সৰ্বাধিক কৰিব পাৰি।
- **সহযোগী বৈশিষ্ট্য ঃ** এটা ব্যৱসায় প্ৰতিষ্ঠান সুচাৰুভাৱে চলাবৰ বাবে তত্ত্ব আৰু প্ৰায়োগিক দুয়োটা দিশৰ সহযোগিতাৰ আৱশ্যক। ব্যষ্টিবাদী আৰু সমষ্টিবাদী বৈশিষ্ট্য ইয়াত প্ৰতিফলিত হয়।
- **নৰমেটিভ বিজ্ঞান ঃ** অৰ্থবিজ্ঞানত বিভিন্ন বিধিৰ তত্ত্বগত দিশসমূহ অধ্যয়ন কৰা হয়। সেই তত্ত্ববিলাক ভাল-বেয়া বিচাৰ কৰা নহয়। পৰিচালনা অৰ্থবিজ্ঞানত কি হোৱা উচিত সেইবিলাকহে অধ্যয়ন কৰা হয় আৰু অৰ্থবিজ্ঞানৰ তত্ত্ববিলাকৰ প্ৰয়োগৰ ফলাফল বিচাৰ কৰা হয়।

পৰিচালনা অৰ্থবিজ্ঞানৰ পৰিসৰ (Scope oF Managerial Economics)

পৰিচালনা অৰ্থবিজ্ঞানৰ পৰিসৰ বৰ বহল। কাৰণ ইয়াত অৰ্থনীতিৰ তত্ত্ব, আৰ্হি আৰু পদ্ধতি অন্তৰ্ভুক্ত যিবিলাক ব্যৱসায় প্ৰতিষ্ঠানক সিদ্ধান্ত লোৱা আৰু ভৱিষ্যতৰ আঁচনি ৰূপায়ণ কৰাত সহায় কৰে। পৰিচালনা অৰ্থবিজ্ঞানত তলত দিয়া বিষয়সমূহ আলোচনা কৰা হয়-

ভোগ তত্ত্ব (Theory of consumption) ঃ পৰিচালনা অৰ্থবিজ্ঞানত ভোক্তাৰ মনোভাব, চাহিদা বিধি, চাহিদাৰ স্থিতিস্থাপকতা, উপযোগিতাৰ কৰ্মপদ্ধতি অধ্যয়ন কৰে।

উৎপাদন বিধি (Theory of production) ঃ এই বিজ্ঞানত উৎপাদন কাৰ্যাৱলী অৰ্থাৎ বিভিন্ন উপাদান আৰু উৎপাদিত দ্ৰব্যৰ সম্বন্ধ স্থাপন কৰে। প্ৰতিদান বিধি, মিতব্যয়িতাৰ মাত্ৰা, উপযুক্ত সংযোগ, সমউৎপাদন, সমব্যয় আদি পৰিচালনা অৰ্থবিজ্ঞানৰ গুৰুত্বপূৰ্ণ পৰিসৰ।

দৰৰ তত্ত্ব (Theory of pricing) ঃ ব্যৱসায় প্ৰতিষ্ঠানৰ দৰ এটা গুৰুত্বপূৰ্ণ বিষয়। ব্যৱসায়ৰ আয়ৰ উৎস হ'ল দৰ। বিভিন্ন প্ৰকাৰৰ বজাৰত দৰৰ সিদ্ধান্ত পৰিচালনা অৰ্থবিজ্ঞানত অধ্যয়ন কৰা হয়।

প্ৰতিষ্ঠানৰ তত্ত্ব (Theory of firm) ঃ এটা ব্যক্তিগত প্ৰতিষ্ঠানৰ বিভিন্ন বজাৰত যেনে— পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ, একচেটীয়া বজাৰ, অপূৰ্ণ প্ৰতিযোগিতা বজাৰ আৰু স্বল্প বিক্ৰেতাৰ বজাৰত দৰ আৰু উৎপাদন নিৰ্ধাৰণ আদি বাণিজ্যিক অৰ্থবিজ্ঞানত অধ্যয়ন কৰা হয়।

বিতৰণ তত্ত্ব (Theory of distribution) ঃ উপাদানৰ দৰ, ৰাষ্ট্ৰীয় আয়ত উপাদানৰ অংশ আদি পৰিচালনা অৰ্থবিজ্ঞানত অধ্যয়ন কৰা হয়। লাভৰ পৰিকল্পনা ব্যৱসায় অৰ্থবিজ্ঞানৰ প্ৰধান ভেটি।

লাভৰ তত্ত্ব (Theory of profit) ঃ ব্যৱসায় প্ৰতিষ্ঠানবিলাক সৃষ্টি কৰা হয় লাভ অৰ্জন কৰিবৰ বাবে। ৰাজহ আৰু ব্যয়ৰ পাৰ্থক্যৰ পৰাই লাভ নিৰ্ণয় কৰা হয়। পৰিচালনা অৰ্থবিজ্ঞানৰ মূল বিষয়বস্তু হ'ল কেনেকৈ ৰাজহ বৃদ্ধি কৰিব পাৰি আৰু কেনেকৈ ব্যয় হ্ৰাস কৰিব পাৰি অধ্যয়ন কৰা।

চাহিদা বিশ্লেষণ আৰু ভৱিষ্যতৰ চাহিদা নিৰ্ধাৰণ (Demand anslysis and forecasting) ঃ এটা ব্যৱসায় প্ৰতিষ্ঠানে সৰ্বোচ্চ লাভৰ উদ্দেশ্যত উপনীত হ'বৰ বাবে অনিশ্চয়তাৰ মাজত কাম-কাজ কৰিব লাগে। গতিকে ব্যৱসায় প্ৰতিষ্ঠানে দৰ আৰু উৎপাদিত দ্ৰব্যৰ সিদ্ধান্ত ল'ব লাগে যিটো পৰিচালনা অৰ্থবিজ্ঞানৰ বিষয়বস্তু।

মূলধন পৰিচালনা (Capital management) ঃ ব্যৱসায় প্ৰতিষ্ঠানৰ মূলধন পৰিচালনা সিদ্ধান্তক অগ্ৰাধিকাৰ দিব লাগে। পৰিচালনা অৰ্থবিজ্ঞানত মূলধন পৰিচালনা, মূলধনৰ ব্যয় আৰু মূলধন বিনিয়োগ অধ্যয়ন কৰা হয়।

বিক্ৰী উন্নতকৰণ (Sales promotion) ঃ ব্যৱসায়ৰ পৰিচালকে বিক্ৰী বিজ্ঞাপন কৰোতে ব্যয়ৰ ক্ষেত্ৰত সতৰ্ক হ'ব লাগে। তেওঁ দ্ৰব্যৰ গুণাগুণ, বিক্ৰী ব্যয়, ট্ৰেডমাৰ্ক আৰু আকাৰ আদি বিবেচনা কৰিব লাগে। এই সকলোবিলাক পৰিচালনা অৰ্থবিজ্ঞানৰ বিষয়বস্তু।

অৰ্থবিজ্ঞানৰ নীতি (Economic policies) ঃ এটা ব্যৱসায়ত সিদ্ধান্ত লওঁতে চৰকাৰৰ নীতি

যেনে— মুদ্রানীতি, কৰনীতি, ব্যৱসায় আৰু উদ্যোগ নীতি আদিয়ে প্ৰভাৱ পেলায়। সম্পদ বিতৰণৰ ক্ষেত্ৰত উপযুক্ত ব্যৱস্থা চিনাক্ত কৰিব লাগে। এই সকলোবিলাক পৰিচালনা অৰ্থবিজ্ঞানৰ পৰিসৰ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ পৰিচালনা অৰ্থবিজ্ঞান বুলিলে কি বুজে?
(৩০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

প্ৰশ্ন নং ২ঃ তলৰ উক্তিসমূহ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক—

(ক) পৰিচালনা সমিতিয়ে পৰিচালনা অৰ্থবিজ্ঞানৰ সহায়েৰে তেওঁলোকৰ ব্যৱসায়িক সিদ্ধান্ত গ্ৰহণ কৰে।

(খ) বাণিজ্যিক অৰ্থবিজ্ঞানৰ প্ৰকৃতি হ'ল প্ৰায়োগিক, তত্ত্বগত নহয়।

(গ) বাণিজ্যিক অৰ্থবিজ্ঞানৰ পৰিসৰ বৰ বহল - কাৰণ ইয়াত তত্ত্ব, আৰ্হি আৰু পদ্ধতি অন্তৰ্ভুক্ত যিবিলাকে ব্যৱসায়ৰ সিদ্ধান্ত লোৱা আৰু ভৱিষ্যতৰ পৰিকল্পনা কৰাত সহায় কৰে।

১.৫ সিদ্ধান্ত গ্ৰহণত পৰিচালনা অৰ্থবিজ্ঞানৰ গুৰুত্ব

এইটো সত্য যে ব্যৱসায়িক পৰিবেশৰ জটিলতা বৃদ্ধিৰ লগে লগে ব্যৱসায়িক বিশ্লেষণত অৰ্থনৈতিক তত্ত্বৰ উপকাৰিতাও বৃদ্ধি পাইছে। বৰ্তমান যুগত সিদ্ধান্ত গ্ৰহণত ইয়াৰ ভূমিকা সকলোৱে গ্ৰহণ কৰিছে। পৰিচালনা অৰ্থবিজ্ঞানত, ব্যষ্টিগত অৰ্থবিজ্ঞানৰ বিশ্লেষণ ব্যৱসায়িক সিদ্ধান্ত গ্ৰহণৰ বাবে এক প্ৰাথমিক আহিলা। সেয়েহে পৰিচালনা অৰ্থবিজ্ঞানে অৰ্থনৈতিক তত্ত্ব আৰু ব্যৱহাৰিক অৰ্থবিজ্ঞানৰ মাজত সংযোগ স্থাপন কৰে। পৰিচালনা অৰ্থবিজ্ঞানত পৰিমাণগত কৌশল যেনে সামাশ্ৰয়ন বিশ্লেষণ (reqression analysis) আৰু সহসম্বন্ধ কৌশল (correlation techniques) আদি বহুলভাৱে প্ৰয়োগ কৰা হয়। ব্যৱসায় সংগঠনৰ উদ্দেশ্যসমূহ আৰু বিভিন্ন বাধা-নিষেধসমূহ বিবেচনা কৰি ব্যৱসায়িক সিদ্ধান্তসমূহ সৰ্বাধিকভাৱে উৎকৃষ্ট কৰিব বিচাৰে।

ব্যৱসায়িক সিদ্ধান্তসমূহ বিশ্লেষণ কৰিবলৈ পৰিচালনা অৰ্থবিজ্ঞানৰ এই কৌশলসমূহ ব্যৱহাৰ কৰিব পাৰো। এতিয়া আমি এই কৌশলসমূহ ব্যৱহাৰ হোৱা বিভিন্ন ক্ষেত্ৰসমূহ আলোচনা কৰিম।

- **সাম্ভাব্য ক্ষতিৰ বিশ্লেষণ (Risk analysis) ঃ** এইটো এনে এক কৌশল যিটোৱে এটা ব্যৱসায় সংগঠনৰ সফলতাত বাধা আৰোপ কৰিব পৰা বিভিন্ন উপাদানসমূহ চিনাক্ত তথা মূল্যায়ণত সহায় কৰে। এই সাম্ভাব্য বিপদ বিশ্লেষণৰ দ্বাৰা আমি প্ৰতিৰোধ ব্যৱস্থা নিৰ্ধাৰণ

কৰিব পাৰো যাতে বিপদ সৃষ্টি কৰিব পৰা এই উপাদানসমূহ ৰোধ কৰিব পৰা যায়। একোটা ব্যৱসায়িক সিদ্ধান্তৰ সাম্ভাব্য বিপদ সংকুলতা নির্ধাৰণ বা বিশ্লেষণ কৰিবলৈ আমি অনিশ্চয়তা আৰ্হি (Uncertainty models) আৰু সাম্ভাব্য বিপদৰ পৰিমাণগত আহিলাসমূহ ব্যৱহাৰ কৰিব পাৰো।

- **উৎপাদন বিশ্লেষণ (Production analysis) ঃ** এটা ব্যৱসায় সংগঠনৰ উৎপাদনৰ লগত জড়িত বিভিন্ন কাৰকসমূহ যেনে উৎপাদনৰ কার্যকুশলতা, ব্যয়, উৎপাদনৰ উৎপাদকৰ যথাসম্ভৱ ব্যৱহাৰ আদি, বিশ্লেষণ কৰিবলৈ পৰিচালনা অর্থবিজ্ঞানৰ কৌশলসমূহ ব্যৱহাৰ কৰা হয়।
- **দৰ নির্ধাৰণ বিশ্লেষণ (Pricing analysis) ঃ** এই বিশ্লেষণ প্রস্তাৱিত মূল্যৰ পৰীক্ষা আৰু মূল্যায়ণৰ লগত জড়িত। দৰ নির্ধাৰণৰ সিদ্ধান্তসমূহ বিশ্লেষণ কৰোতে ব্যৱস্থাপকসকলে পৰিচালনা অর্থবিজ্ঞানৰ বিভিন্ন কৌশলসমূহ যেনে — স্থানান্তৰিত দৰ (Transfer pricing), দৰ বৈষম্যতা (Price discrimination), দৰ স্থিতিস্থাপকতা (Price elasticity) আদি ব্যৱহাৰ কৰে।
- **মূলধনী বাজেট (Capital budgeting) ঃ** মূলধনী বাজেট এটা সংগঠনৰ দীর্ঘম্যাদী বিনিয়োগসমূহৰ ফলপ্রসুতা নির্ধাৰণৰ লগত জড়িত। এই দীর্ঘম্যাদী বিনিয়োগসমূহ বিভিন্ন ধৰণৰ হ'ব পাৰে যেনে— পুৰণি সা-সৰঞ্জাম সলনি নতুন সা-সৰঞ্জাম ক্রয় কৰা, গৱেষণামূলক প্রকল্প ইত্যাদি। ব্যৱস্থাপকসকলে বিনিয়োগৰ বিভিন্ন তত্ত্ব ব্যৱহাৰ কৰি সংগঠনটোৰ মূলধনী বাজেটৰ সিদ্ধান্তসমূহ গ্রহণ কৰে। মূলধনী বাজেটত প্রকৃত/মুঠ বর্তমান মূল্য (Net Present Value) আভ্যন্তৰীণ লাভৰ হাৰ (Internal Rate of Return) লাভালাভ সুচাংক (Profitality Index) আদি ব্যৱহাৰ কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ সাম্ভাব্য ক্ষতিৰ বিশ্লেষণ বুলিলে কি বুজে?
(৩০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

১.৬ পৰিচালনা অর্থনীতিবিদৰ ভূমিকা আৰু দায়িত্ব

পৰিচালনাৰ কর্তব্য আৰু দায়িত্বসমূহ পালনৰ ক্ষেত্রত অর্থবিজ্ঞানে এক বিশেষ বৰঙণি আগবঢ়ায়। যেনেকৈ জীৱবিজ্ঞানে ডাক্তৰী বৃত্তিত আৰু পদার্থ বিজ্ঞানে অভিযান্ত্রিক বিদ্যাত সহায় কৰে, ঠিক তেনেকৈ অর্থবিজ্ঞানে পৰিচালনা বৃত্তিত অৰিহণা যোগায়। সেয়েহে যিসকল ব্যৱস্থাপকৰ অর্থবিজ্ঞানৰ জ্ঞান আছে তেওঁলোকে নিজৰ কার্যসমূহ কার্যকুশলতাৰে সম্পন্ন কৰিব

পাৰে। ব্যৱস্থাপকসকলৰ প্ৰাথমিক কাৰ্য হ'ল তেওঁলোকৰ অধিনত থকা সীমিত সম্পদেৰে সংগঠনটোৰ উদ্দেশ্যসমূহ যথাসম্ভৱ পৰিপূৰ্ণ কৰা। এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ দিশটো হ'ল যে সীমিত মূলধনেৰে সৰ্বাধিক উদ্দেশ্য সাধন কৰা। যদিহে সম্পদসমূহ অসীমিত হ'লহেঁতেন, যেনে— সূৰ্যৰ পোহৰ আৰু বতাহ তেনেহ'লে সম্পদসমূহ বা সম্পদসমূহৰ পৰিচালনাৰ ক্ষেত্ৰত মিতব্যয়িতা অৱলম্বন কৰিব লগা নহ'লহেঁতেন। কিন্তু সম্পদসমূহ সদায় সীমিত। এটা সংগঠনৰ অধিনত থকা সম্পদসমূহ যেনে— বিত্ত, মানৱ তথা ভৌতিক সম্পদসমূহ সদায় সীমিত। সেয়েহে পৰিচালনাৰ প্ৰধান কাৰ্য হ'ল— সম্পদসমূহৰ প্ৰকাম্য ব্যৱহাৰ।

অৰ্থবিজ্ঞান হৈছে প্ৰমুখ্যে বিভিন্ন আহিলা তথা কৌশলসমূহৰ অধ্যয়ন যিয়ে প্ৰাপ্ত সম্পদৰ প্ৰকাম্য ব্যৱহাৰৰ যোগেদি নিৰ্ধাৰিত উদ্দেশ্যসমূহ আহৰণত সহায় কৰে। অৰ্থাৎ অৰ্থবিজ্ঞানে ব্যৱস্থাপকসকলক বিশ্লেষণাত্মক আহিলা তথা কৌশলসমূহৰ যোগান ধৰে যাৰ সহায়ত তেওঁলোকে সংগঠনটোৰ উদ্দেশ্যমূহ পূৰণ কৰিব পাৰে। সেয়েহে ব্যৱস্থাপকসকলৰ অৰ্থবিজ্ঞানৰ জ্ঞান থকাটো প্ৰয়োজন।

ব্যৱস্থাপক এজনে নিজৰ কাৰ্য সম্পাদন কৰোতে সংগঠনৰ উদ্দেশ্যসমূহৰ লগত সামঞ্জস্য ৰাখি বিভিন্ন সিদ্ধান্ত গ্ৰহণ কৰিব লগা হয়। বহুতো ব্যৱসায়িক সিদ্ধান্ত অনিশ্চয়তা আৰু সম্ভাব্য বিপদ বিবেচনা কৰি গ্ৰহণ কৰা হয়। অনিশ্চয়তা আৰু বিপদসংকুলতা বিভিন্ন কাৰণত সৃষ্টি হ'ব পাৰে যেনে— বিভিন্ন বজাৰসম্বন্ধীয় কাৰকৰ পৰিবৰ্তন, ব্যৱসায়িক পৰিবেশৰ পৰিবৰ্তন, প্ৰতিযোগিতামূলক সামগ্ৰীৰে প্ৰতিযোগীৰ উত্থান, চৰকাৰী নীতি, ঘৰুৱা বজাৰত বহিৰাগত শক্তিৰ প্ৰভাৱ তথা দেশত সামাজিক আৰু ৰাজনৈতিক পৰিবৰ্তন আদি। আধুনিক ব্যৱসায়িক জগতৰ জটিলতাই ব্যৱসায়িক সিদ্ধান্ত গ্ৰহণতো জটিলতা আনি দিছে। তথাপিও, অনিশ্চয়তা আৰু বিপদসংকুলতা বহু স্তৰলৈ হ্ৰাস কৰিব পাৰি যদিহে বজাৰ সম্বন্ধীয় শক্তিসমূহ নিৰ্ভৰযোগ্যতাৰে পূৰ্বানুমান কৰিব পাৰি। কিন্তু ব্যৱসায়িক পৰিবেশৰ পূৰ্বানুমানেই যথেষ্ট নহয়। ইয়াৰ লগতে সংগঠনটোৰ উদ্দেশ্যৰ লগত সামঞ্জস্য ৰাখি শুদ্ধ ব্যৱসায়িক সিদ্ধান্ত গ্ৰহণ তথা ব্যৱসায়িক কৌশলসমূহ অৱলম্বন কৰাটো সমানে গুৰুত্বপূৰ্ণ।

শুদ্ধ ব্যৱসায়িক সিদ্ধান্ত গ্ৰহণ কৰিবলৈ হ'লে ইয়াৰ লগত জড়িত কাৰিকৰী আৰু পৰিবেশিক অৱস্থাসমূহৰ সম্যক জ্ঞান থকাটো জৰুৰী। কাৰিকৰী আৰু ব্যৱসায়িক পৰিবেশৰ কাৰকসমূহ বিশ্লেষণ কৰিবলৈ অৰ্থনৈতিক তত্ত্বসমূহৰ ব্যৱহাৰে যুক্তিপূৰ্ণ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়ায়। সেয়েহে ব্যৱসায়ৰ বহুতো সমস্যা সমাধানত অৰ্থনৈতিক তত্ত্বসমূহ বহুলভাৱে ব্যৱহাৰ কৰা হয়। ব্যৱসায়িক পৰিবেশৰ জটিলতা বৃদ্ধিৰ লগে লগে, অৰ্থনৈতিক তত্ত্বক বিশ্লেষণৰ আহিলা ৰূপে আৰু সিদ্ধান্ত গ্ৰহণত ইয়াৰ বৰঙণিক বহুলভাৱে স্বীকৃতি দিয়া হৈছে।

বাউমল (Baumal) অৰ্থনৈতিক তত্ত্বৰ পৰিচালনা অৰ্থবিজ্ঞানলৈ থকা তিনিটা বিশেষ অৱিহণাৰ কথা উনুকিয়াই দিছে —

- পৰিচালনা বিজ্ঞানলৈ আগবঢ়াব পৰা অৰ্থনৈতিক তত্ত্বসমূহৰ এটা গুৰুত্বপূৰ্ণ দিশ হ'ল যে

ইহঁতে বিশ্লেষণাত্মক আৰ্হি প্ৰস্তুত কৰাত সহায় কৰে যিয়ে পৰিচালন সম্বন্ধীয় সমস্যাসমূহ চিনাক্তকৰণত তথা সিদ্ধান্ত গ্ৰহণত বাধাৰ সৃষ্টিৰ কৰা কাৰকসমূহ দূৰ কৰি প্ৰধান বিষয়টোত মনোনিৱেশ কৰাত সহায় কৰে।

- অৰ্থনৈতিক তত্ত্বসমূহে ব্যৱসায় বিশ্লেষণত অৰিহণা যোগাই যিবোৰ কোনো নিৰ্দিষ্ট ব্যৱসায়িক সমাস্যা সমাধানত পোনপটীয়াকৈ সহায় নকৰিলেও ব্যৱসায় বিশ্লেষকজনৰ দক্ষতা বৃদ্ধি কৰে।
- ব্যৱসায়িক বিশ্লেষণত ব্যৱহৃত বহুতো ধাৰণাৰ বোধগম্য হোৱাত অৰ্থনৈতিক তত্ত্বসমূহে পৰিচালকসকলক সহায় কৰে।



চিন্তা-চৰ্চা কৰক ১.১

'ব্যৱসায়ত উৎকৃষ্ট সিদ্ধান্ত গ্ৰহণৰ বাবে পৰিচালনা অৰ্থবিজ্ঞান অপৰিহাৰ্য।' আপোনাৰ মতামত ব্যক্ত কৰক।

.....

.....



১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ব্যৱসায় প্ৰতিষ্ঠানৰ সিদ্ধান্ত গ্ৰহণৰ সমস্যা দূৰ কৰিবলৈ আধুনিক অৰ্থবিজ্ঞানৰ তত্ত্ব আৰু কৌশল প্ৰয়োগ কৰাকে পৰিচালনা অৰ্থবিজ্ঞান বোলে।
- পৰিচালনা অৰ্থবিজ্ঞান হ'ল প্ৰয়োগিক যিয়ে পৰিচালনাক সিদ্ধান্ত গ্ৰহণত সহায় কৰে।
- ব্যৱসায়ৰ জটিল সমস্যাসমূহ বিশ্লেষণত পৰিচালনা অৰ্থবিজ্ঞানে সহায় কৰে।
- পৰিচালনা অৰ্থবিজ্ঞানৰ পৰিসৰ অতি বহল আৰু ইয়াত বিভিন্ন বিষয় যেনে— ভোগ, উৎপাদন, দাম নিৰ্ধাৰণ, বিতৰণ, চাহিদাৰ পূৰ্বানুমান আদি অন্তৰ্ভুক্ত হৈ থাকে।
- পৰিচালনা অৰ্থবিজ্ঞানে সাম্ভাব্য ক্ষতিৰ বিশ্লেষণ, উৎপাদন বিশ্লেষণ, দৰ নিৰ্ধাৰণ বিশ্লেষণ তথা মূলধনী সিদ্ধান্ত গ্ৰহণত সহায় কৰে।
- ব্যৱসায় সংগঠনসমূহৰ সম্পদসমূহৰ প্ৰকাম্য ব্যৱহাৰ কৰি উদ্দেশ্যসমূহ আহৰণ কৰাত পৰিচালনা অৰ্থনীতিবিদসকলে এক বিশেষ ভূমিকা পালন কৰে।



১. ৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Ahuja, H.L. (2007); *Advanced Economic Theory: Microeconomic Analysis*; New Delhi: S. Chand & Company Ltd.
2) Chopra, P.N. (2008): *Micro Economics*; Ludhiyana: Kalyani Publication.
3) Dewett, K.K. (2005). *Modern Economic Theory*; New Delhi: S. Chand & Company Ltd.
4) Sundharam, K.P.M. & Vaish M.C. (1997); *Microeconomic Theory*; New Delhi: S. Chand & Company Ltd.



১.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ পৰিচালনা অৰ্থবিজ্ঞানে অৰ্থনৈতিক তত্ত্ব আৰু আহিলাৰ সহায়েৰে ব্যৱসায়িক অৱস্থাসমূহ অধ্যয়ন কৰে। এইটোৱে ব্যৱসায়িক সমস্যাসমূহৰ সঠিক সমাধান উলিওৱাত সহায় কৰে। পৰিচালনা অৰ্থবিজ্ঞান ব্যষ্টিগত আৰু প্ৰয়োগিক অৰ্থবিজ্ঞান।

২ নং প্ৰশ্নৰ উত্তৰঃ ক) শুদ্ধ, খ) শুদ্ধ, গ) শুদ্ধ

৩ নং প্ৰশ্নৰ উত্তৰঃ সাম্ভাব্য ক্ষতিৰ বিশ্লেষণ হ'ল এক কৌশল যাৰ সহায়ত ব্যৱসায় সংগঠন এটাৰ সফলতাত বাধাৰ সৃষ্টি কৰা বিভিন্ন উপাদানসমূহ চিনাক্ত আৰু মূল্যায়ণ কৰিব পাৰি।



১.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ বাণিজ্যিক অৰ্থবিজ্ঞানৰ সংজ্ঞা আগবঢ়াওঁক।

প্ৰশ্ন ২ ঃ বাণিজ্যিক অৰ্থবিজ্ঞানৰ পৰিসৰ ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ ব্যৱসায়িক সিদ্ধান্ত গ্ৰহণত পৰিচালনা অৰ্থবিজ্ঞানৰ গুৰুত্ব আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ ব্যৱসায়িক সংগঠনত পৰিচালনা অৰ্থনীতিবিদৰ ভূমিকা আলোচনা কৰক।

*** ***** ***